**2024**

# ASSAMESE

( Regular Generic )

Paper : ASM–RG–5016

**( শংকৰদেৱ )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) শ্ৰীধৰী টীকা-সম্বলিত ভাগৱত শাস্ত্ৰখন শংকৰদেৱক কোনে অৰ্পণ কৰিছিল ?

(খ) শংকৰদেৱে ৰচনা কৰা প্ৰথমখন কাব্য কি ?

(গ) "ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাবৰ মাধুৰ্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শংকৰদেৱৰ কীৰ্তন ৰচিত।" উক্তিষাৰ কাৰ ?

(ঘ) শংকৰদেৱে 'ৰামায়ণ'ৰ কোনটো কাণ্ড অনুবাদ কৰিছিল ?

(ঙ) 'মেৰি পামৰু মন, মাধৱ ঘন ঘন' বৰগীতফাঁকিত উল্লেখিত পামৰু শব্দৰ অৰ্থ লিখা।

(চ) বসুমতী কৃষ্ণৰ ওচৰত উপস্থিত হওঁতে লগত কাক লৈ আহিছিল?

(ছ) ৰজা হৰিশ্চন্দ্ৰৰ পুত্ৰৰ নাম কি আছিল?

(জ) কীৰ্তনৰ 'গজেন্দ্ৰ উপাখ্যান' অধ্যায়টি ভাগৱতৰ কোনটো স্কন্ধৰ আধাৰত ৰচিত?

(ঝ) অহল্যা কোন আছিল?

(ঞ) 'শিশুলীলা' অধ্যায়ত উল্লেখ থকা অনুসৰি কৃষ্ণই গোবৰ্দ্ধন ধাৰণ কৰি কাৰ দৰ্প চুৰ কৰিছিল?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) শংকৰদেৱৰ সাহিত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) হৰিশ্চন্দ্ৰ ৰজাই অনুষ্ঠিত কৰা যজ্ঞৰ পুৰোহিত কোন আছিল? তেওঁ যজ্ঞৰ আৰম্ভণিতে কোন দেৱতাক পূজা কৰিবলৈ উপদেশ দিছিল?

(গ) কৃষ্ণই সত্যভামাক সান্ত্বনা দিওঁতে কোন দুগৰাকী পত্নীতকৈ তেওঁ অধিক সৌভাগ্যশালিনী বুলি কৈছে?

(ঘ) 'শাৰংগপাণি' শীৰ্ষক বৰগীতটোৰ ৰাগ কি? বিষ্ণুক কিয় শাৰংগপাণি বোলা হয়?

(ঙ) “জিহ্বাখান যেন ৰাজআলি
বৎস লৈয়া আইলা বনমালি।”

ইয়াত কাৰ জিভাখনক ৰাজআলিৰ লগত তুলনা কৰা হৈছে? তেওঁ কি ৰূপ ধাৰণ কৰি কৃষ্ণক আক্ৰমণ কৰিবলৈ বৈ আছিল?

৩। তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা : ৫×৪=২০

(ক) শংকৰদেৱৰ সাহিত্যৰাজিৰ শ্ৰেণীবিভাজন কৰি দেখুওৱা।

(খ) ‘শাৰংগপাণি’ শীৰ্ষক বৰগীতটোৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(গ) ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ কাব্যৰ অন্তৰ্গত শৈব্যা চৰিত্ৰটোৰ চাৰিত্ৰিক বিশ্লেষণ আগবঢ়োৱা।

(ঘ) ‘গজেন্দ্ৰ উপাখ্যান’ত উল্লেখিত প্ৰাকৃতিক পৰিৱেশৰ বিৱৰণ দাঙি ধৰা।

(ঙ) ‘পাৰিজাত হৰণ’ নাটৰ ৰুক্মিণী আৰু সত্যভামা চৰিত্ৰ দুটিৰ তুলনামূলক বিশ্লেষণ আগবঢ়োৱা।

(চ) কৃষ্ণই কুবেৰ তনয়ক মুক্তি দিয়া কাহিনীভাগ ‘শিশুলীলা’ খণ্ডত কিদৰে বৰ্ণিত হৈছে, আলোচনা কৰা।

৪। তলত দিয়া যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) শংকৰদেৱৰ সাহিত্যৰাজিৰ উদ্দেশ্য আৰু পটভূমি বিশ্লেষণ কৰা।

(খ) অংকীয়া নাটৰ বিভিন্ন উপাদান সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(গ) 'কীৰ্ত্তন-ঘোষা' জনপ্ৰিয় হোৱাৰ কাৰণসমূহ বিচাৰ কৰা।

(ঘ) 'পাৰিজাত হৰণ' নাটৰ মূল আৰু মৌলিকতা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(ঙ) 'বৰগীতৰ বৈশিষ্ট্য' শীৰ্ষক এটি আলোচনা প্ৰস্তুত কৰা।

(চ) 'শিশুলীলা' খণ্ডত প্ৰকাশিত কৃষ্ণৰ বিভিন্ন লীলাৰ বিৱৰণ দাঙি ধৰা।

(ছ) 'নাৰায়ণ কাহে। ভকতি' শীৰ্ষক বৰগীতটোৰ ভাবাৰ্থ বিশ্লেষণ কৰা।

(জ) 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যৰ মাজত অসমীয়া সমাজ-জীৱনৰ কি দিশ প্ৰকট হৈছে, আলোচনা কৰা।

★★★